**শব্দ শক্তি কেই প্ৰকাৰৰ? প্ৰত্যেকবিধৰে ব্যাখ্যা কৰা।**

আলংকাৰিকসকলে শব্দৰ তিনিটা অৰ্থবোধক শক্তি আছে বুলি কৈছে। সেইকেইটা হৈছে অভিধা, লক্ষণা আৰু ব্যঞ্জনা। সেই অনুসৰি অৰ্থও তিনি প্ৰকাৰৰ হয়। অভিধা বৃত্তিয়ে প্ৰকাশ কৰা অৰ্থক বাচ্যাৰ্থ বা প্ৰধান অৰ্থ বুলি কোৱা হয়। লক্ষণা বৃত্তিয়ে প্ৰকাশ কৰা অৰ্থক লক্ষ্যাৰ্থ আৰু ব্যঞ্জনা বৃত্তিয়ে প্ৰকাশ কৰা অৰ্থই হৈছে ব্যঙ্গাৰ্থ।

**অভিধা শক্তি ঃ**

শব্দ এটা কৰ্ণগোচৰ হোৱাৰ লগে লগে এটা ব্যক্তি, গুণ, ক্ৰিয়া অথবা জাতিৰ বোধ এটা মনত উদয় হয়। এই চাৰিটাৰ যিটো বোধ উদয় হয় সিয়ে শব্দটোৰ অৰ্থ। কোনো এটা শব্দ উচ্চাৰণ বা শুনাৰ লগে লগে পোনতে মনত যি অৰ্থবোধ জন্মে তাকে মুখ্য বা অভিধেয় অৰ্থ বোলে। মুখ্য অৰ্থ বুজোৱা শব্দক বাচক বোলে। সেইবাবে মুখ্য অৰ্থটোক বাচ্যাৰ্থও বোলা হয়। শব্দৰ যি শক্তিৰ বলত এই মুখ্যাৰ্থটো মনলৈ আহে তাকে অভিধা শক্তি বোলে। অভিধা শক্তিয়ে শব্দৰ পোনপটীয়া অৰ্থক সূচায়। অভিধা শক্তি হৈছে এক সাংকেতিক অৰ্থ। ব্যৱহাৰিক জীৱনত এনে সাংকেতিক অৰ্থক প্ৰাধান্য দিয়া হয়। সংকেত হৈছে শব্দ আৰু অৰ্থৰ মাজৰ বাচ্য বাচক সম্বন্ধজ্ঞান। অৰ্থাৎ 'এইটো শব্দই এইটো অৰ্থ বুজাব' বুলি অভ্যাসবশতঃ বা পাৰম্পৰিক ৰীতিৰ আধাৰত যি নিৰ্দিষ্ট ধাৰণা মনলৈ আনি দিয়ে সেয়ে সংকেত। উদাহৰণস্বৰূপে 'গৰু' বুলি উচ্চাৰণ কৰাৰ লগে লগে গলবিচনী যুক্ত বিশেষ জন্তুৰ মুখ্য বা অভিধেয় ধাৰণাটো আনি দিয়ে। ইয়াত বাচক শব্দ হৈছে গৰু, বিশিষ্ট জন্তুৰ বোধটো হৈছে মুখ্যাৰ্থ, গৰু শব্দ আৰু গৰু অৰ্থৰ মাজত সম্বন্ধ আনি দিয়া সংকেতদায়ক শক্তিটো হৈছে অভিধা শক্তি। সাংকেতিক অৰ্থ চাৰিপ্ৰকাৰৰ- জাতিৰূপ, গুণৰূপ , ক্ৰিয়াৰূপ আৰু সংজ্ঞাৰূপ অৰ্থ। আচলতে জাতি, গুণ, ক্ৰিয়া আৰু সংজ্ঞা - এই চাৰিটা ব্যক্তিৰ চাৰিবিধ উপাধিহে। শব্দই এই চাৰিটা উপাধিৰহে সংকেত বহন কৰে।

**লক্ষণা শক্তি ঃ**

কোনো এটা বাক্যৰ পদসমূহৰ মূখ্যাৰ্থ বা অভিধেয় অৰ্থবোধত বাধা জন্মিলে অন্য যি শক্তিৰ দ্বাৰা মূখ্যাৰ্থৰ সৈতে সংযুক্ত অন্য এটা অৰ্থবোধ জন্মে, শব্দৰ এনে অৰ্থবোধক শক্তিকে লক্ষণা শক্তি বোলে। এই শক্তিৰ দ্বাৰা প্ৰকাশিত অৰ্থক লাক্ষণিক অৰ্থ বোলে। লাক্ষণিক অৰ্থটো মূখ্য অৰ্থৰ লগত সম্পৰ্ক থাকে। লাক্ষণিক অৰ্থ গ্ৰহণৰ অন্তৰালত শব্দৰ তেনে প্ৰয়োগ প্ৰসিদ্ধি (ৰূঢ়ি) থাকিব লাগিব, নাইবা বক্তাৰ বিশেষ প্ৰয়োজন(অভিপ্ৰায়) সিদ্ধিৰ উদ্দেশ্য নিহিত থাকে। সেইফালৰ পৰা লক্ষণা শক্তি দুই প্ৰকাৰৰ- ক) ৰূঢ়ি বা প্ৰসিদ্ধিমূলক লক্ষণা আৰু খ) প্ৰয়োজনমূলক লক্ষণা।

**ক) ৰূঢ়ি বা প্ৰসিদ্ধিমূলক লক্ষণাঃ** শব্দৰ যি শক্তিয়ে অভিধেয় অৰ্থৰ সলনি অন্য অৰ্থবোধৰ প্ৰচলিত ৰীতি বা সাহিত্য প্ৰসিদ্ধি আছে, সেয়ে ৰূঢ়ি বা প্ৰসিদ্ধিমূলক লক্ষণা। আমি প্ৰায়ে কওঁ যে 'খেলত ভাৰত জিকিল, জিম্বাব'ৱে হাৰিল.... আদি'। ইয়াৰ অভিধেয় অৰ্থ হ'ব দেশখনৰ মাটি-পানী, জলবায়ু জয়ী বা পৰাজয় হৈছে। কিন্তু সেই অৰ্থত এই বাক্য ব্যৱহাৰ কৰা নহয়। দেশৰ হৈ খেলা খেলুৱৈ দলটো জয়ী বা পৰাজয় হোৱাৰ প্ৰসংগতহে এই বাক্যৰ ব্যৱহাৰ প্ৰসিদ্ধি আছে। যি শক্তিয়ে এই বাক্যত দেশৰ নামৰ সলনি দেশৰ হৈ খেলা খেলুৱৈসকলক বুজায়, তাৰ নামেই লক্ষণা শক্তি। বাক্যটোত অভিধেয় অৰ্থই প্ৰকৃত অৰ্থবোধ গ্ৰহণত বাধা জন্মোৱাত সেই অৰ্থৰ লগত সম্বন্ধ থকা আন এটা অৰ্থ গ্ৰহণ কৰা হৈছে। দেশৰ নামৰ দ্বাৰা দেশবাসীক বুজোৱাটো প্ৰচলিত ৰীতি আৰু সাহিত্য প্ৰসিদ্ধ। গতিকে ই ৰূঢ়ি বা প্ৰসিদ্ধিমূলক লক্ষণা।

**খ) প্ৰয়োজনমূলক লক্ষণাঃ** কোনো বিশেষ প্ৰয়োজনত যেতিয়া শব্দৰ যি শক্তিয়ে অভিধেয় অৰ্থৰ সলনি অন্য অৰ্থবোধ জন্মায় তাৰ নাম প্ৰয়োজনমূলক লক্ষণা বুলি কোৱা হয়। শিকাই থকা অৱস্থাত যেতিয়া শিক্ষাৰ্থী এজনক শিক্ষকে 'গৰুটোক বুজাই লাভ নাই' বুলি কোৱা মানে শিক্ষাৰ্থীজন চাৰিঠেঙীয়া জন্তুবিশেষ হৈ নাযায়। গৰু শব্দৰ অভিধেয় অৰ্থ চাৰিঠেঙীয়া জন্তুবিশেষ। ইয়াত মূখ্য অৰ্থত গৰু শব্দৰ প্ৰয়োগ হোৱা নাই। বাক্যটোত গৰু শব্দই জন্তুটোৰ লগত সম্বন্ধ থকা নিৰ্বোধিতা বুজাইছে। নিৰ্বোধিতাৰ আতিশৰ্য বুজোৱাৰ প্ৰয়োজনত গৰু শব্দটো ব্যৱহাৰ কৰা হৈছে। এই প্ৰয়োজনৰ হেতুকেই লক্ষণা শক্তিয়ে কাম কৰিছে। বক্তাৰ যদি অতিশয়তা বুজোৱ প্ৰয়োজন বা অভিপ্ৰায় নাথাকিলহেঁতেন, তেনেহ'লে মূৰ্খ বুলি ক'লেই হ'লহেঁতেন, গৰু বুলি কোৱা দৰকাৰ নাছিল। সেয়ে ইয়াক প্ৰয়োজনমূলক লক্ষণা বুলি কোৱা হয়। শব্দৰ এই শক্তি স্বাভাৱিক শক্তিতকৈ বেলেগ। ইয়াক ঈশ্বৰে উদ্ভাৱন কৰা শক্তি নহয়। ই প্ৰয়োজন সিদ্ধিৰ বাবে মানুহে শব্দত প্ৰয়োগ কৰা শক্তি। সাহিত্যত প্ৰয়োজনমূলক লক্ষণাৰ গুৰুত্ব বহুত বেছি।

মন কৰিবলগীয়া যে প্ৰসিদ্ধি আৰু প্ৰয়োজন - এই দুটাৰ এটাও কাৰণ নোহোৱাকৈ মূখ্যাৰ্থৰ সৈতে যিকোনো প্ৰকাৰে সম্পৰ্ক আছে বুলিয়েই যদি লক্ষণাৰ আশ্ৰয় লোৱা হয়, তেতিয়া নানা প্ৰকাৰে অৰ্থ হোৱাৰ সম্ভাৱনা আছে আৰু বহুক্ষেত্ৰত ই বিভ্ৰান্তিৰ সৃষ্টি কৰিব। সেইবাবে প্ৰসিদ্ধি আৰু প্ৰয়োজন- এই দুটাৰ যিকোনো এটা কাৰণ থাকিলেহে লক্ষণা শক্তিৰ আশ্ৰয়

লোৱা হয়।

**ব্যঞ্জনা শক্তিঃ**

অভিধাৰ্থ ব্যাহত হ'লে লক্ষণা শক্তিৰ দ্বাৰা অৰ্থ গ্ৰহণ কৰা হয়। কিন্তু অভিধা আৰু লক্ষণা দুয়োটা শক্তিৰ দ্বাৰা অৰ্থ গ্ৰহণৰ পাছতো যদি অন্য এটা অৰ্থ প্ৰতীয়মান হয়, সেই প্ৰতীয়মান অৰ্থ দিয়া শক্তিক ব্যঞ্জনা বোলে। ঘৰৰ গৃহস্থই যদি কয়- 'গৰু-গাই আহিল'। খেলি থকা ল'ৰা-ছোৱালীয়ে বুজিব- 'খেল সামৰিবৰ হ'ল।' গৃহিনীয়ে বুজিব- 'গোঁসাই ঘৰত চাকি জ্বলাবৰ হ'ল। গাঁও ফুৰিবলৈ অহা গৰাকীয়ে বুজিব - 'ঘৰলৈ উভতি যাব লাগে।' গৰু নামৰ জন্তুটো পথাৰৰ পৰা ঘৰলৈ অহা অভিধাৰ্থৰ উপৰিও তিনিজনে তিনিটা ধৰণে অৰ্থ বুজিলে। বাচ্যাৰ্থটো গ্ৰহণ কৰাৰ ফলতহে আনকেইটা অৰ্থ পোৱা গ'ল। কিন্তু 'গৰু-গাই আহিল' নুবুলি 'হাতী-ঘোঁৰা আহিল' বুলি ক'লে ওপৰৰ অৰ্থকেইটা পোৱা নাযায়। 'গৰু-গাই আহিল' বাক্যাংশৰ বাচ্যাৰ্থটো পোৱাৰ পাছত অৰ্থাৎ অভিধা শক্তিৰ কাম শেষ হৈ যোৱাৰ পাছত এটা নতুন শক্তিৰ আশ্ৰয়ত বাকীকেইটা অৰ্থ প্ৰতীয়মান হ'ল। এইদৰে প্ৰতীয়মান অৰ্থ দিব পৰা শক্তিকে ব্যঞ্জনা শক্তি বোলে।

ব্যঞ্জনা দুই প্ৰকাৰৰ- অভিধামূলক ব্যঞ্জনা আৰু লক্ষণামূলক ব্যঞ্জনা।

**অভিধামূলক ব্যঞ্জনাঃ** কোনো কোনো ক্ষেত্ৰত একোটা শব্দৰ এটাতকৈ বেছি বাচ্যাৰ্থ প্ৰকাশিত হোৱাৰ যোগ্যতা থাকে। কিন্তু বাক্য গাঁথনিয়ে এই অৰ্থবোৰৰ এটাকহে পোনপটীয়াকৈ প্ৰকাশ কৰে। এনেকৈ অৰ্থ গ্ৰহণ কৰাৰ পাছতো বাচ্যাৰ্থৰ বাহিৰে আন অৰ্থ বোধগম্য হ'ব পাৰে। এই প্ৰতীয়মান অৰ্থ অভিধাক আশ্ৰয় কৰি প্ৰকাশ হোৱা বাবে ইয়াক অভিধামূলক ব্যঞ্জনা বোলে। উদাহৰণস্বৰূপে 'কৰ্ণ আৰু অৰ্জুন' বুলি ক'লে কৰ্ণ শব্দই সুতপুত্ৰক বুজিম। কৰ্ণ শব্দই কাণকো বুজায়। কিন্তু অৰ্জুন শব্দ লগত থকা বাবে বাক্য গাঁথনিয়ে সুতপুত্ৰ অৰ্থ সূচাইছে। বিভিন্নাৰ্থক শব্দবোৰৰ অভিপ্ৰেত অৰ্থ উলিওৱাৰ বহুত নিমিত্ত আছে। সেই নিমিত্তবোৰ হৈছে- সংযোগ, বিয়োগ, সাহচৰ্য, বিৰোধীতা আদি। এই নিমিত্তবোৰৰ যিকোনো এটাৰ বাবে শব্দৰ বহুত অৰ্থৰ ভিতৰত এটা অৰ্থত নিয়ন্ত্ৰিত হয়। এইদৰে অৰ্থ নিয়ন্ত্ৰিত হৈ যোৱাৰ পাছত যেতিয়া সেই অৰ্থৰ আলমত নতুনৰ প্ৰতীতি জন্মায়, সেই নতুন প্ৰতীতি দিয়া শক্তিটোৱেই অভিধামূলক ব্যঞ্জনা। ৰাম বুলিলে পৰশুৰাম, হলিৰাম, শ্ৰীৰাম এই তিনিও অৱতাৰকে বুজায়। কিন্তু 'সীতাৰাম' বুলিলে শ্ৰীৰামক বুজাব, কিন্তু 'ৰামকৃষ্ণ' বুলিলে ৰাম শব্দই হলিৰামকহে বুজায়। 'মধুৱে কোকিলক মত্ত কৰিছে' বুলি ক'লে মধু শব্দই মৌ নুবুজায়, বসন্তকালকহে বুজাব। কাৰণ কোকিল মত্ত কৰাৰ সামৰ্থ কেৱল বসন্তকালৰহে আছে। অভিধাৰ্থক আশ্ৰয় কৰি ই আন অৰ্থৰ প্ৰতীতি দিয়া বাবে ইয়াক অভিধামূলক ব্যঞ্জনা বুলি কোৱা হয়। হেমচন্দ্ৰ গোস্বামীৰ 'প্ৰিয়তমাৰ চিঠি' কবিতাত আছে -

'তোমাৰ চিঠিয়ে প্ৰিয়ে জানে কি মোহিনী
নিতৌ নোহোৱা বাহী ন ন ফুল মেলে,
যত শুঙো চুমা খাওঁ নালাগে আমনি
হৃদয়ত হেঁপাহৰ ভোটাতৰা জ্বলে।'

- ইয়াত ভোটাতৰা শব্দই প্ৰধান অৰ্থৰ উপৰিও প্ৰিয়াৰ প্ৰতিচ্ছবি স্থিৰ আৰু উজ্জ্বল ৰূপত জিলিকি থকা কথাটো অভিধাৰ্থক আশ্ৰয় কৰি ব্যঞ্জিত হৈছে বাবে ই অভিধামূলক ব্যঞ্জনা।

**লক্ষণামূলক ব্যঞ্জনাঃ** যি প্ৰয়োজনত লাক্ষণিক অৰ্থ গ্ৰহণ কৰা হয়, সেই প্ৰয়োজন সিদ্ধিৰ বাবে ব্যঞ্জনাৰো আশ্ৰয় লোৱা হয়। লক্ষণাক ভিত্তি কৰি ব্যঞ্জনাই ব্যঙ্গাৰ্থ প্ৰকাশ কৰাকে লক্ষণামূলা ব্যঞ্জনা বোলে। চমূকৈ যি প্ৰয়োজন সিদ্ধিৰ বাবে লক্ষণাৰ আশ্ৰয় লোৱা হয়, সেই প্ৰয়োজন যি ব্যঞ্জনাই বুজায় সিয়েই লক্ষণামূলক ব্যঞ্জনা। 'গঙ্গাত গুৱালৰ গাঁও' বাক্যাংশত গঙ্গা শব্দৰ অভিধাৰ্থ হৈছে গঙ্গা নামৰ নদী বা জলপ্ৰবাহ। নদীৰ ওপৰত গাঁও থাকিব নোৱাৰে বাবে অভিধাৰ্থৰ পৰা অৰ্থ নোলোৱা বাবে লক্ষণাৰ সহায় লোৱা হ'ল। লক্ষণা শক্তিয়ে গঙ্গাৰ পাৰৰ গুৱালৰ গাঁৱক বুজালে। কিন্তু 'গঙ্গাত গুৱালৰ গাঁও' বুলি কোৱাৰ গূঢ় উদেশ্য 'গঙ্গাৰ পাৰত' বুলি কোৱা কথাষাৰে প্ৰতিফলিত কৰিব পৰা নাই। 'গঙ্গাত গুৱালৰ গাঁও' বুলিলে গঙ্গাৰ শীতলতা আৰু পবিত্ৰতা গাঁওবাসীৰ মাজতো বিদ্যমান বুলি প্ৰকাশ কৰিব বিচাৰিছে। শীতলতা আৰু পবিত্ৰতা জলপ্ৰবাহৰহে গুণ, তীৰ বা পাৰৰ নহয়। সেইবাবে 'গঙ্গাৰ পাৰত গুৱালৰ গাঁও' বুলিলে গুৱালসকলৰ শীতলতা আৰু পবিত্ৰতা শ্ৰোতাৰ মনলৈ নাহে বাবে গঙ্গা শব্দৰ দ্বাৰা পাৰত থকা গুৱালৰ গাঁৱৰ শীতলতা আৰু পবিত্ৰতা প্ৰকাশ কৰা হ'ল। এই শীতলতা আৰু পবিত্ৰতা ব্যংগাৰ্থটো লক্ষণাক আশ্ৰয় কৰি প্ৰতীয়মান হোৱা বাবে ই লক্ষণামূলক ব্যঞ্জনা।

ব্যঞ্জনা শক্তি কেতিয়াবা শব্দৰ ওপৰত নিৰ্ভৰশীল হয় আৰু কেতিয়াবা অৰ্থ নিৰ্ভৰ বা বক্তাৰ কোৱা ভঙ্গিমা, মনৰ অৱস্থা, সুৰ আদিৰ ওপৰত নিৰ্ভৰ কৰে। শব্দৰ ওপৰত নিৰ্ভৰশীল বা শব্দ প্ৰধান ব্যঞ্জনাক শাব্দী ব্যঞ্জনা অৰ্থ প্ৰধান ব্যঞ্জনাক আৰ্থী ব্যঞ্জনা বোলে। 'গঙ্গাত গুৱালৰ গাঁও' বাক্যত প্ৰকাশিত ব্যঞ্জনা গঙ্গা শব্দ আশ্ৰয়ী। গঙ্গাৰ সলনি অন্য শব্দ দিলে একেই অৰ্থ ব্যঞ্জিত নহয়। সেইবাবে ই শাব্দী ব্যঞ্জনা। আৰ্থী ব্যঞ্জনা শব্দৰ অৰ্থ, কওঁতা বা শুনোতাৰ মনৰ অৱস্থা, কণ্ঠস্বৰৰ তীব্ৰতা,

ভাৱ-ভঙ্গী আদিৰ যোগে প্ৰকাশ পায়। শংকৰদেৱৰ ‘পাৰিজাত হৰণ’ নাটত সত্যভামাই শ্ৰীকৃষ্ণক কৈছে-

‘কেশৱহে, বুজলোহো ব্যৱহাৰা।
অতয়ে চাতুৰি চোড়ি চলহু বহুৰি হৰি
যাহা প্ৰিয়া ৰমণী তোহাৰা।’

- ইয়াত সত্যভামাই কৃষ্ণক প্ৰিয় ৰমণী য’ত আছেতালৈ উভতি যাবলৈ দেখাতহে কৈছে। প্ৰকৃততে সেই কথাৰ মাজত সত্যভামাৰ হৃদয়ৰ তীব্ৰ অভিমান ধ্বনিত হৈছে। সত্যভামাই কোৱা শব্দৰপৰা এই ভাৱ প্ৰকাশ পোৱা নাই, মনৰ অৱস্থা আৰু কোৱাৰ ভঙ্গীৰপৰাহে প্ৰকাশ পাইছে। সত্যভামাৰ মনৰ অৱস্থা আৰু ভঙ্গীয়ে কৃষ্ণৰ প্ৰতি অনুৰাগ আৰু তাৰপৰা হোৱা অভিমান ব্যঞ্জিত হৈছে। সেইবাবে ই আৰ্থী ব্যঞ্জনা। কিন্তু শাব্দী আৰু আৰ্থী এই দুই প্ৰকাৰৰ ব্যঞ্জনা বিভাজনৰ প্ৰয়োজন নাই। কাৰণ আৰ্থী ব্যঞ্জনাত শব্দৰপৰা বোধগম্য হোৱা অৰ্থই ব্যঙ্গাৰ্ত প্ৰকাশ কৰে আৰু শাব্দী ব্যঞ্জনাতো শব্দই ব্যঙ্গাৰ্থৰ বাহিৰে অন্য অৰ্থত আশ্ৰয় লৈহে ব্যঙ্গাৰ্থ প্ৰকাশ কৰে। সেইকাৰণে আৰ্থী ব্যঞ্জনাৰ মূলতে যিদৰে শব্দ আছে, সেইদৰে শাব্দী ব্যঞ্জনাৰ লগতো অৰ্থ আছে।

কিছুমান আলংকাৰিকে ধ্বনিক কাব্যৰ আত্মা বুলি কয় যদিও সেই ধ্বনিৰ মূল হৈছে শব্দৰ ব্যঞ্জিত অৰ্থ, অৰ্থাৎ ব্যঞ্জনা শক্তি। অভিধা, লক্ষণাই শব্দৰ অৰ্থ প্ৰকাশ কৰাত ব্যৰ্থ হ’লে ব্যঞ্জনাৰ সহায়ত অৰ্থ গ্ৰহণ কৰা হয়। ব্যঞ্জনা শক্তিৰ সুপ্ৰয়োগৰ ফলত শ্ৰেষ্ঠ বা উত্তম কাব্য ৰচিত হয়। শব্দই ইয়াৰ অৰ্ন্তনিহিত শক্তিৰ বলতে ভিন্ন অৰ্থ প্ৰকাশ কৰিব পাৰে বাবে সংস্কৃত আলংকাৰিকসকলে অলংকাৰশাস্ত্ৰত শব্দশক্তিক বিশেষ গুৰুত্ব প্ৰদান কৰিছে।

---

ডঃ বুদ্ধেশ্বৰ কোচ